GSO S2 01

সমাজতাত্ত্বিক তত্ত্ব

দ্বিতীয় ষাণ্মাসিক

সমাজতত্ত্ব

খণ্ড ঃ ২

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপক জ্যোতি প্রসাদ শইকীয়া, ডিব্রুগড় বিশ্ববিদ্যালয়
ড° নির্মালী গোস্বামী, তেজপুৰ কেন্দ্রীয় বিশ্ববিদ্যালয়

সমন্বয়ৰক্ষী ঃ ডোলা বৰকটকী, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
গার্গী গায়ন, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*	*ভাষান্তৰকাৰী*
৯	মণ্টু কুমাৰ দৈমাৰী, ভাৰতীয় প্রযুক্তিবিদ্যা প্রতিষ্ঠান, বোম্বে	গীতাঞ্জলি মেধি, কৃঃ সঃ ৰাঃ মুঃ বিশ্ববিদ্যালয়
১০	গ্রীটেন গয়াৰী, ভাৰতীয় প্রযুক্তিবিদ্যা প্রতিষ্ঠান, বোম্বে	গীতাঞ্জলি মেধি, কৃঃ সঃ ৰাঃ মুঃ বিশ্ববিদ্যালয়
১১	ড° শ্বাবিনা য়াচমিন শইকীয়া, কৃঃ সঃ ৰাঃ মুঃ বিশ্ববিদ্যালয়	ময়ূৰী ভাগৰতী, নেৰিম
১২	যোৱানিতা কাকতি আৰু ড° শ্বাবিনা য়াচমিন শইকীয়া কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়	ড° ৰূপৰেখা বৰদলৈ কৃঃ সঃ ৰাঃ মুঃ বিশ্ববিদ্যালয়
১৩ আৰু ১৪	অনন্যা গগৈ, ডিব্রুগড় বিশ্ববিদ্যালয়	গীতাঞ্জলি মেধি, কৃঃ সঃ ৰাঃ মুঃ বিশ্ববিদ্যালয়

সম্পাদনা ঃ

মূল ইংৰাজী সম্পাদনা ঃ অধ্যাপক জ্যোতি প্রসাদ শইকীয়া, ডিব্রুগড় বিশ্ববিদ্যালয়
অসমীয়া ভাষা সম্পাদনা ঃ ড° স্বপ্না স্মৃতি মহন্ত, কে. চি. দাস কমার্চ কলেজ, গুৱাহাটী
গাঁথনিক সম্পাদনা ঃ ড° ডোলা বৰকটকী, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
গার্গী গায়ন, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রথম প্রকাশ ঃ ডিচেম্বৰ, ২০১৭

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State University is made available under a Creative Commons Attribution-Non Commercial-ShareAlike4.0 License (International): http.//creativecommons.org/licenses/by-nc-sa/4.0.

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী-৭৮১ ০১৭; Web : www.kkhsou.in
উপ-মুখ্য কার্যালয় ঃ হাউচ্‌ফেড কমপ্লেক্স, দিচপুৰ, গুৱাহাটী-৭৮১ ০০৬

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
দূৰ শিক্ষা ব্যুৰো, বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ৯ ঃ **কার্ল মার্ক্স ঃ বিচ্ছিন্নতা তত্ত্ব** **১২১ - ১৩২**

বিচ্ছিন্নতাৰ অর্থ; বিচ্ছিন্নতাৰ প্রকৃতি; কাৰণ আৰু পৰিণাম; বিচ্ছিন্নতাৰ চাৰিটা প্রধান দিশ

অধ্যায় ১০ ঃ **জ'র্জ চিমেল ঃ ধাৰণাবাদী দৃষ্টিভঙ্গী** **১৩৩ - ১৪৩**

ব্যক্তি, সমাজ আৰু আনুষ্ঠানিক সমাজতত্ত্ব; মহানগৰ আৰু আদর্শগত জীৱন; চৌখিনতা (Fashion); মুদ্রাৰ দর্শন (Philosophy of Money); সামৰণি

অধ্যায় ১১ ঃ **মেক্স ৱেবাৰ ঃ সামাজিক ক্রিয়া** **১৪৪ - ১৫৫**

সামাজিক ক্রিয়াৰ ব্যক্তিনিষ্ঠ উপলব্ধি ঃ সামাজিক ক্রিয়া, সামাজিক ক্রিয়াৰ ব্যক্তিনিষ্ঠ অর্থ; প্রাকৃতিক বিজ্ঞান আৰু সামাজিক বিজ্ঞান; সমাজতত্ত্ব অধ্যয়নৰ পদ্ধতি; মেক্স ৱেবাৰৰ অৱদানৱলীৰ সমালোচনাত্মক সমীক্ষা

অধ্যায় ১২ ঃ **মেক্স ৱেবাৰ ঃ আদর্শ নমুনা, কর্তৃত্ব আৰু আমোলাতন্ত্র** **১৫৬ - ১৬৪**

আদর্শ নমুনা (Ideal Type) ঃ সংজ্ঞা, বৈশিষ্ট্য, আদর্শ নমুনা আৰু সাধাৰণ বোধৰ মাজত পার্থক্য, আদর্শ নমুনাৰ ব্যৱহাৰ, আদর্শ নমুনাৰ গঠনৰ পদ্ধতি, প্রকাৰ; কর্তৃত্ব; আমোলাতন্ত্র ঃ বৈশিষ্ট্য, সুবিধা, অসুবিধা; ৱেবাৰৰ অৱদানৰ সমালোচনাত্মক মূল্যাঙ্কন

অধ্যায় ১৩ ঃ **মেক্স ৱেবাৰ ঃ ধর্ম আৰু পুঁজিবাদ** **১৬৫ - ১৭৭**

ধর্ম আৰু অর্থনীতি বিষয়ক ৰচনা; পুঁজিবাদৰ প্রাণ ঃ শৃঙ্খলাৱদ্ধ শ্রমিক শক্তি, পুঁজিৰ নিয়ন্ত্রিত বিনিয়োগ, আধুনিক পুঁজিবাদৰ আঁৰৰ অন্য ক্রিয়াশীল শক্তি; নীতিশাস্ত্র ঃ আধ্যাত্মিক আহ্বানৰ ধাৰণা, অদৃষ্টবাদ, যুক্তিযুক্ততা আৰু ইয়াৰ লৌহকঠিন সংৰচনা; ধর্ম বিষয়ক অন্য ৰচনা

অধ্যায় ১৪ ঃ **ভিলফ্রেড' পাৰেট'** **১৭৮ - ১৯২**

সমাজতত্ত্বৰ বিষয়বস্তু ঃ যৌক্তিক কার্য্য, অ-যৌক্তিক কার্য্য, আধুনিক পুঁজিবাদৰ আঁৰৰ অন্য ক্রিয়াশীল শক্তি; অৱশেষ ঃ অৱশেষৰ প্রকাৰ; সিদ্ধান্ত; অতি ক্ষমতাশালী শ্রেণীৰ সঞ্চলন ঃ অতি ক্ষমতাশালী শাসক শ্রেণী আৰু শাসন নকৰা অতি ক্ষমতাশালী শ্রেণী, শিয়াল আৰু সিংহ

খণ্ড পৰিচয়

এই পাঠ্যবিষয়ৰ দ্বিতীয় খণ্ডটিত ছয়টা অধ্যায় আছে। 'সমাজতাত্ত্বিক তত্ত্ব' পাঠ্যবিষয়ৰ এইটো দ্বিতীয় খণ্ড যি পাঠ্যবিষয় কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে আগবঢ়োৱা সমাজতত্ত্বৰ স্নাতক পাঠ্যক্রমৰ দ্বিতীয় ষাণ্মসিকৰ অন্তর্গত। এই খণ্ডটোৱে শিক্ষার্থীসকলক বিদ্যায়তনিক বিষয় হিচাপে সমাজতত্ত্বৰ কিছুমান প্রাথমিক তত্ত্বগত ধাৰণাৰ লগত পৰিচয় কৰাই দিব। ইয়াৰ অন্তর্গত নৱম অধ্যায়ত মার্ক্সৰ অন্য এটা তত্ত্ব বিচ্ছিন্নতাৰ বিষয়ে আলোচনা সন্নিৱিষ্ট হৈছে। ইয়াত শ্রমিক শ্রেণীটোৱে সন্মুখীন হোৱা চাৰিবিধ বিচ্ছিন্নতাৰ বিষয়েও বিস্তৃত আলোচনা কৰা হৈছে। দশম অধ্যায়টোত জর্জ চিমেলে সমাজতত্ত্বলৈ আগবঢ়োৱা অৱদানৰ বিষয়ে আলোচনা কৰা হৈছে।। ইয়াত চিমেলৰ কেইটামান গুৰুত্বপূর্ণ ধাৰণা আৰু দৃষ্টিভঙ্গী, যেনে— ব্যক্তি, সমাজ আৰু আনুষ্ঠানিক সমাজতত্ত্ব, মহানগৰ আৰু আদর্শগত জীৱন, চৌখিনতা ইত্যাদিৰ আলোচনা সন্নিৱিষ্ট হৈছে। একাদশ অধ্যায়ত মেক্স ৱেবাৰে আগবঢ়োৱা গুৰুত্বপূর্ণ অৱদানসমূহ আলোচনা কৰা হৈছে। ইয়াত তেওঁৰ সামাজিক ক্রিয়াতত্ত্বৰ ধাৰণা আৰু পদ্ধতিৰ আলোচনা সন্নিৱিষ্ট হৈছে। দ্বাদশ অধ্যায়ত ৱেবাৰৰ অন্য কেইটামান গুৰুত্বপূর্ণ তত্ত্ব, যেনে— আদর্শ নমুনা,কর্তৃত্ব, আমোলাতন্ত্রৰ আলোচনা কৰা হৈছে। ত্রয়োদশ অধ্যায়ত ৱেবাৰে আগবঢ়োৱা ধর্মৰ লগত পুঁজিবাদৰ সম্বন্ধৰ বিষয়ে আলোচনা কৰা হৈছে। এই প্রসঙ্গত ৱেবাৰৰ 'প্রটেষ্টাণ্ট এথিকচ্ এণ্ড স্পিৰিট অৱ কেপিটেলিজম্' গ্রন্থৰ সহায় লোৱা হৈছে। চতুর্দশ অধ্যায়ত ৱিলফ্রেড' পেৰোটে আগবঢ়োৱা ধাৰণাসমূহৰ আলোচনা সন্নিৱিষ্ট হৈছে। সেই ধাৰণাসমূহ হৈছে ক্রমে— যৌক্তিক কার্য্য, অ-যৌক্তিক কার্য্য, অৱশেষ, সিদ্ধান্ত, অতি ক্ষমতাশালী শ্রেণীৰ সঞ্চলন ইত্যাদি।

অধ্যায়বোৰ পঢ়ি গৈ থাকোঁতে আপোনালোকে কিছুমান পার্শ্বীয় বাকচ দেখিব। তাত সহজে বুজি নোপোৱা অথবা আগতে নপঢ়া কিছুমান শব্দ অথবা সংজ্ঞাৰ ব্যাখ্যা পঢ়িবলৈ পাব। আপোনালোকৰ নিজৰ চিন্তাবোৰ কার্য্যক্ষেত্রত প্রয়োগ কৰিব পৰাকৈ অধ্যায়বোৰত কিছুমান অনুশীলনী 'অন্তর্ভুক্ত কৰা' হৈছে। পাঠ্য বিষয়বোৰৰ লগতে **'জানি থোৱা ভাল'** শিতানত কিছুমান অতিৰিক্ত কিন্তু প্রাসঙ্গিক তথ্য/ধাৰণা অন্তর্ভুক্ত কৰা হৈছে। প্রতিটো শিতানৰ সামৰণিত **'অগ্রগতি নিৰীক্ষণ'** হিচাপে কিছুমান প্রশ্ন দেখিব। আপোনালোকে অধ্যয়নৰ অগ্রগতি নিজে পৰীক্ষা কৰি চাব পৰাকৈ এই প্রশ্নবোৰ দিয়া হৈছে। শিতানটো পঢ়া শেষ হোৱাৰ লগে লগে প্রশ্নবোৰৰ উত্তৰ কৰি গ'লে আপোনালোক অধিক উপকৃত হ'ব। আপোনাৰ উত্তৰবোৰ পাছত অধ্যায়ৰ একেবাৰে শেষৰফালে থকা **'অগ্রগতিৰ খতিয়ান'** শিতানত মিলাই চাব পাৰিব। অধ্যায়বোৰৰ শেষত কেইটিমান **'আৰ্হি প্রশ্ন'** তুলি দিয়া হৈছে। প্রতিটো অধ্যায়ৰ সৈতে জড়িত প্রসঙ্গপুথিবোৰৰ নাম দ্বিতীয় খণ্ডৰ সামৰণিত দিয়া হৈছে।